জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৯/২০২৩

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে নদী ক্ৰুজ এম ভি গংগা বিলাসৰ ফ্লেগ অফ কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

### গুৱাহাটীত সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰীয়ে

### পাণ্ডুত জাহাজ মেৰামতি কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ-২৭ ৰ সৈতে সংযোগী এলিভেটেড পথৰো আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ

### পূব ভাৰতৰ পৰ্যটনৰ সম্ভাৱনা বৃদ্ধিৰ ক্ষেত্ৰত এম ভি গংগা বিলাস হ'ব এক গেম চেঞ্জাৰ ঃ মুখ্যমন্ত্ৰী

### প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত উত্তৰ-পূব অভূতপূৰ্ব বিকাশৰ সাক্ষী হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পাণ্ডু ঘাটৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে বিশ্বৰ আটাইতকৈ দীঘলীয়া নদীক্ৰুজ এম ভি গংগা বিলাসৰ ফ্লেগ অফ কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰে। অত্যাধুনিক সুবিধাৰে সজ্জিত এম ভি গংগা বিলাসে ৫১ দিনত বাংলাদেশ অতিক্ৰম কৰি উত্তৰ প্ৰদেশৰ বাৰানসী আৰু উজনি অসমৰ ডিব্ৰুগড়ৰ মাজত ৩২০০ কিঃমিঃ দূৰত্ব অতিক্ৰম কৰিব আৰু এই পথছোৱাত পৰ্যটকে ৫০ টা প্ৰধান পৰ্যটনস্থলী ভ্ৰমণৰ সুবিধা লাভ কৰিব। আনহাতে, প্ৰধানমন্ত্ৰীয়ে ৬ কোটি টকা ব্যয় সাপেক্ষে গুৱাহাটীত নিৰ্মাণ কৰা সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰটো উদ্বোধন কৰাৰ লগতে পাণ্ডুত ২০৮ কোটি টকা ব্যয় সাপেক্ষে জাহাজ মেৰামতি কেন্দ্ৰ আৰু ১৮০ কোটি টকা ব্যয় সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথ ২৭ ৰ সৈতে সংযোগ কৰি পাণ্ডুৰ মাল্টি মডেল টাৰ্মিনেল সংযোগী এলিভেটেড পথৰ আধাৰশিলা স্থাপন কৰে।

উদ্বোধনী আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক দেশৰ বিকাশ আৰু উন্নয়নৰ ইঞ্জিন হিচাপে পৰিগণিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা একাধিক পদক্ষেপৰ বাবে তেওঁৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন ক্ষেত্ৰখনৰ প্ৰকৃত সম্ভাৱনাক বিকশাই তোলাৰ দিশত এম ভি গংগা বিলাস মুকলি কৰাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰিবহনৰ যোগেদি উত্তৰ-পূবৰ ৰূপান্তৰৰ প্ৰধানমন্ত্ৰীৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ দিশত ইয়ে বহুলাংশে বৰঙণি যোগাব। মুখ্যমন্ত্ৰীয়ে দেশৰ আৰু বাহিৰৰ পৰ্যটকসকলক এম ভি গংগা বিলাসে আগবঢ়োৱা সুবিধা গ্ৰহণ কৰিবলৈও পৰ্যটকসকলক আহ্বান জনায়।

সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰই অঞ্চলটোৰ যুৱক-যুৱতীসকলক আগন্তুক দিনত সামুদ্ৰিক খণ্ডই প্ৰদান কৰিবলগীয়া কৰ্ম সংস্থাপন আৰু আত্মনিয়োজনৰ সুযোগসমূহৰ ব্যৱহাৰ কৰিব পৰাটো নিশ্চিত কৰিব

বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে জাহাজ মেৰামতি কেন্দ্ৰ আৰু পাণ্ডু বন্দৰক ৰাষ্ট্ৰীয় ঘাইপথ ২৭ ৰ সৈতে সংযোগ কৰা পথটোৱে অঞ্চলটোৰ নদী জাহাজ খণ্ডৰ বাবেই নহয়, ৰাজ্যৰ অৰ্থনৈতিক বিকাশতো অপৰিসীম বৰঙণি যোগাব।

ইয়াৰ পূৰ্বে শক্তি কৰিডৰ আৰু বৌদ্ধিক মহলত উত্তৰ-পূবৰ মূল সুঁতিৰ প্ৰয়োজনীয়তাৰ কথা চৰ্চা হৈছিল যদিও প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ই কেৱল ঘোষণা হৈয়ে নাথাকিল, বৰং আখৰে আখৰে ৰূপায়ণ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত উত্তৰ-পূবত আজি সকলো দিশতে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, বিহাৰৰ উপ মুখ্যমন্ত্ৰী তেজস্বী যাদৱেও ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে যোগাদান কৰাৰ লগতে পাণ্ডুত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় জাহাজ পৰিবহন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীপদ নাইক আৰু সাংসদ কুইন ওজাও উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**১৩/১/২০২৩**